# 2019

## ASSAMESE

## ( Major )

Paper : 5.4

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৭=৭

(ক) প্ৰবৰ সেন বিৰচিত প্ৰাকৃত মহাকাব্যখনৰ নাম কি?

(খ) 'ধম্মপদ'ত মুঠ কিমানটা বগ্‌গ আছে?

(গ) 'বুদ্ধচৰিত'ৰ ৰচকজন কোন?

(ঘ) 'প্ৰাকৃত প্ৰকাশ' কি বিষয়ক গ্ৰন্থ?

(ঙ) 'বড়্ডকহা'ৰ সংস্কৃত নাম কি?

(চ) হেমচন্দ্ৰ বিৰচিত প্ৰাকৃত ব্যাকৰণখনৰ নাম কি?

(ছ) প্ৰাকৃত ভাষাৰ স্বৰধ্বনি কেইটা?

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) অপভ্ৰংশ ভাষাৰ দুটা উপভাষাৰ নাম লিখা।

(খ) সাৰিপুত্ৰ প্ৰকৰণ কোনে, কি ভাষাত ৰচনা কৰিছিল?

(গ) বৌদ্ধধৰ্মৰ চতুৰাৰ্য সত্য কি কি?

(ঘ) আব্দুল ৰহমানে 'সন্দেশ-ৰাসক'ত কিমানটা গাথা আৰু কেইপ্ৰকাৰৰ ছন্দ সন্নিৱিষ্ট কৰিছে?

৩। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ কৰিবা : ৫×৩=১৫

(ক) তোমাৰ পাঠ্যৰ আধাৰত 'কৰ্পূৰমঞ্জৰী' নাটকৰ ভাষা সম্পৰ্কে লিখা।

(খ) 'ধম্মপদ'ক নৈতিক জ্ঞানৰ গ্ৰন্থৰূপে বিচাৰ কৰা।

(গ) অৱহট্‌ঠ ভাষাৰ বিশেষত্ব লিখা।

(ঘ) 'শকুন্তলা' নাটকৰ আধাৰত তৎকালীন সমাজ-ব্যৱস্থাৰ বিষয়ে লিখা।

৪। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) প্ৰাকৃত শব্দৰ তাৎপৰ্য কি? সাহিত্যিক প্ৰাকৃত বুলিলে কি বুজা? সেইবোৰৰ ভিতৰত শ্ৰেষ্ঠ সাহিত্যিক প্ৰাকৃতটোৰ বৈশিষ্ট্যসমূহ লিখা।

(খ) সট্টক কাক বোলে? 'কৰ্পূৰমঞ্জৰী'ক সট্টকৰূপে প্ৰতিপন্ন কৰিব পাৰি নে নোৱাৰি, নিজৰ যুক্তিৰে বিচাৰ কৰা।





(গ) "'সন্দেশ-ৰাসক' এখন শৃংগাৰাত্মক গীতিকাব্য।" তোমাৰ পাঠ্যপুথিৰ আধাৰত উক্তিটোৰ যথাৰ্থতা বিচাৰ কৰা।

(ঘ) পালি সাহিত্য সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(ঙ) মধ্য ভাৰতীয় আৰ্য ভাষাৰ স্তৰ বিভাজন কৰি প্ৰতিটো স্তৰৰ ভাষিক বৈশিষ্ট্যবোৰ লিখা।

★★★